**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 11**-06-2024
**Time :** 1715 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***
***::::::::::::::::::::::::::::::::::::***

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৈছে যে, বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে **সামুদ্ৰিক অমৃত কাল ভিজন** ২০৪৭ত কল্পনা কৰা সামগ্ৰিক বিকাশৰ দিশত সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ বাবে কাম কৰি যাব। কালি নতুন দিল্লীত বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ৰ কাৰ্যভাৰ গ্ৰহণ কৰি শ্ৰী সোণোৱালে তেওঁৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলক সম্বোধন কৰি এইদৰে প্ৰকাশ কৰে। তেওঁ লগতে বিকশিত ভাৰতৰ লক্ষ্য পূৰণৰ দিশত দেশৰ প্ৰতি সেৱা আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি সম্পূৰ্ণ কৰি তেওঁৰ দলটোক ভাল কাম কৰাৰ পৰম্পৰা অব্যাহত ৰাখিবলৈ আহ্বান জনায়। শ্ৰী সোণোৱালে লগতে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গতিশীল নেতৃত্বত বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰালয়ে সামুদ্ৰিক খণ্ডক শক্তিশালী কৰাৰ দিশত আৰু অৰ্থনৈতিক শক্তিক্ষেত্ৰ হোৱাৰ লক্ষ্য পূৰণৰ বাবে দৃঢ়তাৰে কাম কৰি আহিছে। তেওঁৰ মন্ত্ৰালয়ে বিকশিত ভাৰতৰ চূড়ান্ত লক্ষ্যপ্ৰাপ্তিৰ এই যাত্ৰাত **ৰাষ্ট্ৰ প্ৰথম** মন্ত্ৰেৰে নিজকে প্ৰতিশ্ৰুতিবদ্ধ কৰি যাব বুলিও কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

oooooooo

বিশ্ববিদ্যালয় অনুদান আয়োগে অহা শিক্ষাবৰ্ষৰ পৰা উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক বছৰত দুবাৰকৈ শিক্ষাৰ্থীৰ নামভৰ্তি কৰণৰ অনুমতি প্ৰদান কৰিবলৈ এটা বিশেষ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়মানুসাৰে বৰ্তমানে বছৰত এবাৰেই শিক্ষাৰ্থীৰ নামভৰ্তিকৰণৰ ব্যৱস্থা আছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষ মমিডালা জগদেশ কুমাৰে কৈছে যে, শিক্ষা পৰিষদৰ ফলাফল ঘোষণাত বিলম্ব, শাৰীৰিক অসুস্থতা বা আন ব্যক্তিগত কাৰণত নিৰ্দিষ্ট সময়ত নামভৰ্তি কৰিবলৈ সমৰ্থ নোহোৱা শিক্ষাৰ্থীসকলক এই নতুন নীতিয়ে লাভান্বিত কৰিব। তেওঁ লগতে কয় যে, বছৰত দুবাৰকৈ বিশ্ববিদ্যালয়ত নামভৰ্তিৰ সুযোগে ছাত্ৰ-ছাত্ৰীসকলৰ উৎসাহ বজাই ৰখাত সহায় কৰিব যিহেতু কোনো কাৰণত নামভৰ্তিৰ পৰা বঞ্চিত হোৱা শিক্ষাৰ্থী সকলে পুনৰ নামভৰ্তিৰ বাবে এবছৰ অপেক্ষা কৰাৰ প্ৰয়োজন নহ'ব।

oooooooo

যক্ষ্মা ৰোগ নিবাৰণৰ লক্ষ্যৰে আজিৰেপৰা ৰাজ্যৰ বিভিন্ন জিলাত বি চি জি প্ৰতিষেধক প্ৰদান কৰা হ'ব। যক্ষ্মা নিবাৰণ শাখাই ২০২১ চনৰ পৰা দেশত এই ৰোগ নিৰাময়ৰ বাবে প্ৰতিষেধক দিয়াৰ ব্যৱস্থা কৰি আহিছে। বিশেষ কাৰণত বাওঁ বাহুৰ ছিটা লোৱাৰ পৰা বাদ পৰি যোৱা লোকসকলক এই অভিযানে সামৰি ল'ব। প্ৰাপ্তবয়স্ক যিকোনো সুস্থ লোকে এই বিনামূলীয়া বি চি জি প্ৰতিষেধক ল'ব পাৰিব।

শিৱসাগৰ জিলাতো ভাৰত চৰকাৰৰ পাইলট প্ৰজেক্টৰ অধীনত যক্ষ্মা ৰোগ নিবাৰণৰ বাবে বি চি জি প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছে। জিলাখনৰ আদৰ্শ চৰকাৰী চিকিৎসালয়ৰ চৌহদত অনুষ্ঠিত এই কাৰ্যসূচীত জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱ উপস্থিত থাকি শুভাৰম্ভ কৰে। এই

অভিযানৰ অধীনত জিলাখনৰ মুঠ এক লাখ ৫২ হাজাৰ ৮৫৩ গৰাকী প্ৰাপ্তবয়স্ক লোকক সামৰি লোৱা হৈছে। উল্লেখযোগ্য যে এই পাইলট অভিযানত শিৱসাগৰৰ লগতে লখিমপুৰ জিলাকো সামৰি লোৱা হৈছে। শিৱসাগৰ জিলাৰ এহাজাৰ ৭০২টা কেন্দ্ৰত আজিৰেপৰা এই প্ৰতিষেধক প্ৰদান কাৰ্যসূচী আৰম্ভ হৈছে।

০০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ বহুমুখী প্ৰেক্ষাগৃহত আজি সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। বৃত্তিগত গো-সেৱাৰ শতবৰ্ষৰ দুৱাৰদলিত উপনিত হোৱা তথা মধ্য অসমত দুগ্ধ বিপ্লবৰ সূচনা কৰা সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি কৃষক সভাৰ আয়োজন কৰা হয়। কৃষক সভাত উপস্থিত থাকি মন্ত্ৰী পীযুষ হাজৰিকাই নন্দলাল উপাধ্যায় ৰাজ্যিক কৃষক বঁটা ২০২৩ আৰু ২০২৪ প্ৰদান কৰে। ২০২৩ বৰ্ষৰ বাবে বাক্সা জিলাৰ উত্তৰ আঞ্চলিক জেনেৰেল পাগলাদিয়া ডাং-বান্ধ কমিটি আৰু ২০২৪ বৰ্ষৰ বাব লখিমপুৰৰ সান্দহখোৱাৰ লফা গাঁও উন্নয়ন সমিতিয়ে এই বঁটা লাভ কৰিছে। ইয়াৰ লগতে সমবায় সমিতিখনে কৃষিক বিষয়বস্তু হিচাপে লৈ ৰাজ্যিক ভিত্তিত আয়োজন কৰা প্ৰেম বাহাদুৰ থাপা স্মাৰক চিত্ৰাংকণ প্ৰতিযোগিতা আৰু বিষ্ণু বজগাই স্মাৰক ৰচনা প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহো প্ৰদান কৰা হয়। সভাত সীতাজখলা দুগ্ধউৎপাদক সমবায় সমিতিৰ যাত্ৰা পুথি আৰু সীতাজখলা শীৰ্ষক স্মৃতি গ্ৰন্থও উন্মোচন কৰা হয়।

০০০০০০০০

ভাৰতৰ পুৰুষৰ ফুটবল দলটো আজি দোহাত হ'বলগীয়া ২০২৬ চনৰ ফিফা বিশ্বকাপ এ এফ চি কোৱালিফায়াৰ প্ৰতিযোগিতাৰ এখন গুৰুত্বপূৰ্ণ খেলত এছিয়াৰ বৰ্তমানৰ চেম্পিয়ন কাটাৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ১৫ মিনিটত আৰম্ভ হ'ব। কোৱালিফায়াৰ প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হ'বৰ বাবে ভাৰতে গ্ৰুপ-এৰ শীৰ্ষ দুটা স্থানৰ যিকোনো এটা দখল কৰিব লাগিব। ইপিনে প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰা দলসমূহে সমান্তৰালভাৱে ছৌদি আৰৱত হ'বলগীয়া ২০২৭ বৰ্ষৰ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাৰ বাবেও যোগ্যতা অৰ্জন কৰিব।

০০০০০০০০

ঃসমাপ্তঃ